# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXV | YEAR OF OUR LORD JESUS CHRIST, 2024 JULY | No. 01


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক!

গীতমালা ৯২ : ১-১০

১। যিহোৱাৰ উদ্দেশ্যে ধন্যবাদ কৰা শুভজনক; হে সৰ্বোপৰি জনা, তোমাৰ নামৰ উদ্দেশ্য স্তুতিগান কৰা শুভজনক।

২। ৰাতিপুৱা তোমাৰ দয়া, প্ৰতি ৰাতি তোমাৰ বিশ্বস্ততা প্ৰচাৰ কৰা উত্তম।

৩। দহ গুণীয়া যন্ত্ৰ ও নেবল যন্ত্ৰেৰে আৰু বীণাৰ গম্ভীৰ স্বৰেৰে প্ৰকাশ কৰাই শুভজনক।

৪। কিয়নো হে যিহোৱা, তুমি তোমাৰ কৰ্মৰ দ্বাৰাই মোক আনন্দিত কৰিছা, মই তোমাৰ হাতে কৰা কাৰ্যত আনন্দ ধ্বনি কৰিম।

৫। হে যিহোৱা, তোমাৰ কাৰ্যবোৰ কেনে মহৎ। তোমাৰ সংকল্পবোৰ অতি গভীৰ।

৬। পশুতুল্য লোকে নাজানে আৰু মূৰ্খই নুবুজে।

৭। দুষ্টবোৰে চিৰকাললৈকে বিনষ্ট হ'বৰ অৰ্থেই তৃণৰ দৰে ঠন ধৰে আৰু দুৰাচাৰীবোৰে প্ৰফুল্লিত হয়।

৮। কিন্তু হে যিহোৱা, তুমি চিৰকাললৈকে উচ্চস্থানত থাকোতা।

৯। কিয়নো হে যিহোৱা, চোৱা, তোমাৰ শত্ৰুবোৰ উচ্ছন্ন হ'ব। কিয়নো চোৱা, তোমাৰ বৈৰীবোৰ বিনষ্ট হ'ব, সকলো কু-কৰ্মীবোৰ ছিন্ন-ভিন্ন হ'ব।

১০। কিন্তু তুমি মোৰ শিং মেঠনৰ শিঙৰ দৰে উন্নত কৰিলা, মই নতুন তেলেৰে অভিষিক্ত হ'লো।



## আপোনাৰ অভিষেক ৰক্ষা কৰক !

## PROTECT YOUR ANOINTING!

*মাননীয় প্ৰধান সম্পাদক, ৰেভাঃ এঞ্জিলীন ছেলভাকুমাৰী।*



আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ নামত তেওঁৰ আহ্বানৰ প্ৰতি ধ্বনিৰ বিশ্বজোৰা সকলো পৰিয়ালৰ সভ্য-সভ্যালৈ, যি সকলে প্ৰতিমাহে ১৬ টা ভাষাত মাহেকীয়া আলোচনী পঢ়ি আছে সকলোলৈ শুভেচ্ছা জনাইছো। **...যিজন হয়, আছিল আৰু যিজন আহিব, তেওঁৰ পৰা...আপোনালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক** (প্ৰকাশিত বাক্য ১:৪)।

প্ৰতিটো পৰিস্থিতিত এই পদটিয়ে ডাঙৰ নিশ্চয়তাৰে উৎসাহ যোগাইছে যে মোৰ এজন ঈশ্বৰ আছে যিজনে মোৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ বিষয়ে জানে, মোৰ লগত এজন বন্ধু আৰু সাৰথিৰ দৰে থাকে। এই নিশ্চয়তাৰে ভিতৰুৱা শান্তিৰে আৰু মোৰ বাবে ঈশ্বৰৰ পৰিকল্পনা আৰু উদ্দেশ্যত দৃঢ় হৈ মই অহাকালিৰ অনিশ্চয়তাবোৰৰ সন্মুখীন হ'ব পাৰো। যি **সৎকাম ঈশ্বৰে** আমাৰ কাৰণে **আগেয়ে প্ৰস্তুত কৰিলে, সেই পথত চলিবলৈ আৰু সৎ কাম কৰিবলৈ ঈশ্বৰে আমাক খ্ৰীষ্ট যীচুত সৃষ্টি কৰিলে** (ইফিচীয়া ২:১০)।

*৩ পৃষ্ঠাত চাওঁক*


ইখ অফ হীজ কল



## ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওৰৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



REACHING NATIONS



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


HON. EDITOR-IN-CHIEF
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.

HON. MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.

GENERAL MANAGER
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM., MBA.

ADMINISTRATION
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)

EDITORIAL BOARD
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Sis. L. Mariya Anjalin, M.A., M.Sc., B.Ed.
Rev. Dr. K.R. Rajasekaran



EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858
95661 31858

E.MAIL
sam@echoofhiscall.org
biblecor@yahoo.co.in

WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com

YOUTUBE CHANNEL
Echo of His Call


**... যিহোৱাই তোমালোকক দয়া কৰিবলৈ অপেক্ষা কৰিব... যিচয়া ৩০ঃ১৮**

প্ৰভুত মোৰ প্ৰিয়সকল !

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ অতুলনীয় নামত আমি আপোনালোকক শুভেচ্ছা জনাইছো।

ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই ২০২৪-২০২৫ শিক্ষাবৰ্ষৰ বাবে আমাৰ **ছেইন্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলখন আৰু নহিমিয়া বাইবেল কলেজসমূহ পুনৰ মুকলি কৰিবলৈ সক্ষম হ'লো।** দয়া কৰি এইপ্ৰতিষ্ঠানসমূহৰ বাবে প্ৰাৰ্থনা কৰক।

এইটো বুজিব পাৰিছো যে ভৱিষ্যতে যিবিলাকে স্বাধীনভাৱে প্ৰভুৰ পৰিচৰ্যা কৰিবলৈ বিচাৰিছে, থিয় 'লজিত তেওঁলোকৰ কিছু পাঠ্যক্ৰমৰ সৈতে জড়িত হৈ থাকিব লাগিব। এই বিষয়ত আমাৰ **নহিমিয়া বাইবেল কলেজসমূহে** আপোনাক সহায় কৰিবলৈ প্ৰস্তুত হৈ আছে। সন্ধ্যা বেলাত তামিল ভাষাত ক্লাছসমূহ আয়োজন কৰা হয়। হিন্দী ভাষাত অধ্যয়ন কৰিবলৈ ইচ্ছা কৰা লোকসকললৈ আমি বাসগৃহ সুবিধা দিওঁ। এই বিষয়ত যিবিলাকে সুবিধা বিচাৰে তেওঁলোকে আমাৰ লগত যোগাযোগ কৰিব পাৰে।

যিসকল ছাত্ৰ আমাৰ **নহিমিয়া বাইবেল কলেজৰ** পৰা উত্তীৰ্ণ হৈ গৈছে আৰু এতিয়া পৰিচৰ্যাত আছে তেওঁলোকৰ বাবে যোৱা ১৩/০৫/২০২৪ তাৰিখে প্ৰাক্তন ছাত্ৰ সহভাগিতা সভাৰ আয়োজন কৰা হৈছিল। ২০২৩-২০২৪ শিক্ষাবৰ্ষৰ গ্ৰেডুৱেশ্বন কাৰ্যসূচীখন ০১/০৬/২০২৪ তাৰিখে সন্ধ্যা ৫ বজাত আয়োজন কৰা হৈছিল। ৩৮ গৰাকী ছাত্ৰই এই বৰ্ষত উত্তীৰ্ণ হয় আৰু পৰিচৰ্যাৰ বাবে বিভিন্ন মিশ্বন কেন্দ্ৰলৈ গুচি গ'ল।

**নহিমিয়া বাইবেল কলেজত** তামিল আৰু হিন্দী ভাষাত অধ্যয়ন কৰা ছাত্ৰৰ আমাৰ প্ৰয়োজন হৈছে। অনুগ্ৰহ কৰি ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ আগ্ৰহ থকা ছাত্ৰৰ পৰিচয় কৰাই সহায় কৰক।



**নহিমিয়া বাইবেল কলেজৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল**



**২০২৩-২০২৪ ৰ শিক্ষাবৰ্ষৰ গ্ৰেজুৱেশ্বন সভা**

বিশেষভাৱে আমাৰ পৰিচৰ্যাসমূহক উন্নত কৰিবলৈ আৰু আয়োজন আমাক লাগে - আলোচনী পৰিকল্পক, আলোচনীত থকা বিষয়বস্তুবিলাকক অনুবাদ কৰিবলৈ অনুবাদক, আমাৰ ছপাশালত সেৱা কৰিবলৈ কৰ্মীসকল, ছপাশালৰ প্ৰযুক্তিবিদ, মিডিয়াৰ প্ৰযুক্তিবিদ, ড্ৰাইভাৰ, চকীদাৰ, কম্পিউটাৰত টাইপ কৰা লোক, ডি.টি.পি অপাৰেটৰ, হাইস্কুলত শিক্ষা দিবলৈ শিক্ষকসকল, গীৰ্জাত দিয়া শিক্ষাৰ অনুবাদক, মিছনেৰী সম্পূৰ্ণ সময় সহকাৰী পালকসকল ইত্যাদি। পৰিচৰ্যাৰ সকলো দিশত কৰ্ম কৰিবলৈ আমাক পুৰুষ আৰু মহিলাৰ প্ৰয়োজন হৈছে। এই লোকসকলে প্ৰকৃত দৰ্শন আৰু সততা থকাৰ লোক হোৱাটো আমি আশা কৰো। আমাৰ পৰিচৰ্যাসমূহ বৃদ্ধি হৈছে। কিন্তু আমাক সহায় কৰিবলৈ উপযুক্ত মানুহ আমি পাব পৰা নাই। অনুগ্ৰহ কৰি আমাক সহায় কৰিবলৈ আপোনালোকে যি পাৰে তাকে কৰক।

এই আধুনিক যুগত, মুদ্ৰিত আলোচনী আৰু পুস্তক পঢ়া মানুহৰ সংখ্যা হ্ৰাস পাই গৈ আছে, প্ৰত্যেকেই অনলাইনত পঢ়িব বিচাৰে। যোৱা ৪০ৰ পৰা ৫০ বছৰে যি পঢ়ুৱৈসকলে আমাৰ 'ইখ অফ হীজ কল' আলোচনীখন পঢ়ি আছে তাৰে সৰহসংখ্যক লোক বৃদ্ধ হৈ গৈ আছে। তাৰে কিছুমানৰ মৃত্যু হৈছে আৰু কিছুমান বৃদ্ধ আশ্ৰমত আছে। আগতে তেওঁলোকে আমাৰ বাবে প্ৰাৰ্থনা কৰি আছিল আৰু আৰ্থিকভাৱে সহায় কৰি আছিল। সেই গতিকে আমাৰ আলোচনীৰ পঢ়ুৱৈসকলৰ সংখ্যা বহু পৰিমাণে হ্ৰাস হৈ গৈছে। আপোনালোকৰ পৰিয়ালবৰ্গসকলৰ ডাক-ঠিকনা আৰু ই-মেইল ঠিকনা আমালৈ পঠোৱাৰ দ্বাৰাই আমাক সহায় কৰক। বিনামূল্যত আমি তেওঁলোকলৈ আমাৰ আলোচনী পঠাব পাৰিম।

আমাৰ অনুৰোধলৈ আপোনালোকৰ উৎসাহজনক সহাঁৰিলৈ আমি আশা কৰি আছো।

আমাৰ প্ৰভুৰ অনুগ্ৰহ আপোনাৰ সৈতে থাকক !

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক,

**পালক এলেক্স চামচন চাম আৰু**
**এচ, চাম ছেলভা ৰাজ**

(+91) 98412 71858 / 98410 71858,
Email : sam@echoofhiscall.org

## মনোযোগ দিয়ক ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পঢ়োঁৱৈসকল

তামিল, তেলেগু, ইংৰাজী আৰু হিন্দী ভাষাত (প্ৰতিদিনে) আমাৰ ৫ মিনিট তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ইউটিউব বাৰ্ত্তাসমূহ শুনি আপুনি ঈশ্বৰৰ অনুগ্ৰহক গ্ৰহণ কৰিব পাৰিব। মোৰ মোবাইল নম্বৰ কেইটাক চেভ কৰি লওক (+91)9841071858, (+91)9841271858 (ব্যক্তিগত)।

*- পালক এচ, চাম ছেলভা ৰাজ*

*....Contd. from page 1*

ঈশ্বৰে কিমান জটিলভাৱে আমাৰ প্ৰত্যেককে ডিজাইন কৰিছে তাৰে প্ৰতিবিম্ব কৰিছে, মই বুজিব পাৰিছো যে আমাৰ অস্তিত্ব আকস্মিক নহয় কিন্তু স্বৰ্গীয় পৰিকল্পনাৰ এটি অংশ হয়। এনে কি যদিও কোনোবা ভাবিব পাৰে যে তেওঁৰ পাথিৰ পিতৃ-মাতৃৰ দ্বাৰা অবাঞ্চিত বা অপ্ৰত্যাশিত আছিল, ঈশ্বৰে সাৱধানে প্ৰতিজন ব্যক্তিক তৈয়াৰ কৰিছে, যিদৰে গীতমালাৰ ১৩৯ ঃ ১৩ পদত লিখা আছে, **"তুমিয়েই মোৰ অন্তৰ্ভাগ সৃষ্টি কৰিলা, তুমি মোক মাতৃৰ গৰ্ভতে গঠন কৰিলা।"** গতিকে তাক খুজি বাহিৰ কৰা আমাৰ দায়িত্ব আৰু যি উদ্দেশ্যত আমাক সৃষ্টি কৰা হৈছে তাক পৰিপূৰ্ণ কৰক, কিয়নো আমাৰ বিশ্বাসৰ লেখক আৰু সমাপ্তি কৰা জনৰ নিৰ্দেশনাৰ সৈতে আমাক সৃষ্টি কৰা হৈছে।




ঈশ্বৰে যেতিয়া চৌলক ৰাজত্ব কৰিবলৈ আহ্বান কৰিছিল, তেতিয়া চৌলৰ আত্মবিশ্বাসৰ অভাৱ হৈছিল। তেওঁ আনকি প্ৰকাশ কৰি কৈছিল, ঈশ্বৰে আমাক তেওঁৰ স্বৰ্গীয় আহ্বান আৰু বৰদানৰ সৈতে অনুগ্ৰহ কৰে, আমাৰ যোগ্যতাৰ বাবে নহয়, বৰং তেওঁৰ চৰিত্ৰৰ বাবেহে তেনে কৰে। তথাপিও প্ৰায় অজ্ঞাতভাৱে, এই পথটিৰ পৰা সহজে পথভ্ৰষ্ট হোৱাৰ সম্ভাৱনা থাকিব পাৰে, যেতিয়ালৈকে আমি নিজকে উদ্দেশ্যমূলক কাৰ্যৰ পৰা আঁতৰত আছো বুলি নাপাওঁ। সৌভাগ্যক্ৰমে, পবিত্ৰ আত্মাই আমাৰ প্ৰেমময় ত্ৰাণকৰ্তাৰ পথত আমাক পথ দেখাবলৈ সদায় উপস্থিত আছে।

চৌলৰ জীৱনক ব্যৱহাৰ কৰি আহক আমি কিছু সাধাৰণ পদক্ষেপসমূহক বিশ্লেষণ কৰিম যিয়ে আমাক ঈশ্বৰৰ স্বৰ্গীয় উদ্দেশ্যৰ পৰা আমাক বিমুখ কৰিব পাৰে, ইস্ৰায়েলৰ এইপ্ৰথম ৰজাজনক উদাহৰণস্বৰূপে লওঁ।

### চৌল ঃ আৰম্ভণি গুৰুত্বপূৰ্ণ নহয়, কিন্তু শেষ কৰাটোহে!

যেতিয়া ইস্ৰায়েল লোকসমূহে ৰজাৰো ৰজাক অমান্য কৰি এজন ৰজাৰ বাবে ঈশ্বৰক অনুৰোধ কৰিছিল, ঈশ্বৰে তেওঁলোকৰ ইচ্ছাক গ্ৰহণ কৰিছিল। বিন্যামীন ফৈদৰ কীচৰ পুত্ৰ আছিল চৌল, তেওঁ এজন ধনী আৰু বিশিষ্ট ব্যক্তি আছিল। চৌল এজন ধনী ব্যক্তি আছিল আৰু ৰজা হ'বলৈ তেওঁৰ উপযুক্ত জাগতিক দক্ষতাবোৰ আছিল। শাস্ত্ৰপাঠে বৰ্ণনা কৰে যে, ইস্ৰায়েলৰ সন্তানৰ মাজত তেওঁতকৈ সুদৰ্শন কোনো পুৰুষ নাছিল আৰু **আন সকলো লোকতকৈ তেওঁ ওখ আছিল** (১ চামূৱেল ৯:২)। তেন্তে, এই অভিষিক্ত আৰু গুণী ব্যক্তিজনে কিহৰ বাবে দুখজনক শেষ দেখিবলৈ পাইছিল?

**"ইস্ৰায়েলৰ সকলোতকৈ সৰু ফৈদ বিন্যামীন ফৈদৰ মই নহয় নে? আৰু বিন্যামীন ফৈদৰ আটাই গোষ্ঠীবিলাকৰ মাজত মোৰ গোষ্ঠী সকলোতকৈ সৰু নহয়নে?"** (১ চামূৱেল ৯:২)। **অভিষিক্ত হোৱা সত্বেও তেওঁ লাজত লুকাই আছিল** (১ চামূৱেল ১০:২২)। আমি মনত ৰখা উচিত যে য'ত আমাক ঈশ্বৰে আহ্বান নকৰে তাত তেওঁৰ অনুগ্ৰহই আমাক নাৰাখে। তেওঁ ইস্ৰায়েলৰ প্ৰথম ৰজা হওঁতে ঈশ্বৰ অনুগ্ৰহই তেওঁৰ বাবে যথেষ্ট আছিল। তেওঁৰ নম্ৰ নোহোৱা সত্বেও, ঈশ্বৰে আশীৰ্বাদ কৰিছিল। যি কি নহওক, তেওঁ কৃতকাৰ্য হৈ জয়ৰ পাছত জয়ী হোৱাৰ পাছত, পৰৱৰ্তী খ্যাতি আমাৰ বহুতৰ দৰে আত্মগৌৰৱত তেওঁ অন্ধ হৈছিল।

১ চামূৱেল ১৫ পদত, ইয়াক আমি এটি শাস্ত্ৰ পাঠৰ সন্মুখীন হওঁ য'ত ঈশ্বৰে চৌলক অমালেকহঁতক ধ্বংস কৰি দিবলৈ আজ্ঞা দিছিল আনকি সিহঁতৰ নাৰী আৰু শিশুবিলাককো এৰি দিব নালাগে বুলি কৈছিল। বৰ্তমানৰ দিনত যেতিয়া আমি এই ঘটনাটোক লক্ষ্য কৰো, ঈশ্বৰৰ বৰ্বৰতাৰ ৰূপ থকা যেন লাগে। কিন্তু যেতিয়া ইস্ৰায়েলৰ এই ইতিহাসটোক গণ্য কৰো, আমি পাঁও যে অমালেকহঁতে ক্লান্ত আৰু দুৰ্বল ইস্ৰায়েলসকলক নিৰ্যাতন, আক্ৰমণ কৰিছিল আৰু ধ্বংস কৰিব বিচাৰিছিল।

জখৰীয়া ২:৮ পদত লিখা আছে - **"যিজনে তোমালোকক স্পৰ্শ কৰে, সেইজনে তেওঁৰ চকুৰ মণি স্পৰ্শ কৰে।"**

ঈশ্বৰে তেওঁৰ লোকসকলক তেওঁৰ প্ৰিয় সম্পত্তিৰ দৰে গণ্য কৰিছিল, গতিকে যেতিয়া অমালেকহঁতে তেওঁৰ লোকসকলক দুৰ্ব্যৱহাৰ কৰিছিল, ঈশ্বৰে তাৰ প্ৰতিশোধ ল'বলৈ বিচাৰিলে। এইটো মনত ৰখাৰ প্ৰয়োজন যে আমাৰ এজন ঈশ্বৰ আছে যিজনে আমাৰ পক্ষত যুদ্ধ কৰে। যি হওক, চৌলৰ কাহিনীত আমি এটা বেলেগ প্ৰতিক্ৰিয়া দেখো। যেতিয়া চামূৱেল চৌলক তাৰ কৰ্মৰ বাবে শুধৰাই দিছিল, চৌলৰ তাৎক্ষণিক পদক্ষেপটো দোষ স্বীকাৰলৈ পৰিণত হ'ব লাগিছিল। পৰিৱৰ্তে, **সি চামূৱেলক বৃদ্ধ লোকসকলৰ আৰু ইস্ৰায়েলৰ আগত তেওঁৰ মান ৰাখিবলৈ ক'লে আৰু সি যাতে চামূৱেলৰ** "ঈশ্বৰ যিহোৱাক" প্ৰশংসা কৰিব পাৰে তাৰ বাবে তেওঁৰ লগত তেওঁক ঘূৰি আহিবলৈ ক'লে (১ চামূৱেল, ১৫:১৬)। নম্ৰতাৰ পৰা গৰ্বৰ দিশত চামূৱেলৰ মনোভাৱৰ এই পৰিৱৰ্তনটোত স্পষ্ট হৈছে **কিয়নো সি নিজৰ স্বীকৃতি বিচাৰিবলৈ এটা জয়স্তম্ভ স্থাপন কৰিলে** (চামূৱেল ১৫:১২)।

সাফল্য আৰু বিজয় প্ৰায় সময়ত আমাৰ মানসিকতা আৰু মনোভাৱত পৰিৱৰ্তন কৰিব পাৰে। এজন নম্ৰ মানুহৰ পৰা এজন সন্মান আৰু স্বীকৃতি বিচৰা চৌলৰ ৰূপান্তৰ হোৱাটোৱেই তেওঁৰ অহংকাৰৰ বিপদৰ এটা উদাহৰণ।

যি মুহূৰ্তত অহংকাৰে আমাক ধৰে, ঈশ্বৰে আমাৰ জীৱনৰ পৰা তেওঁৰ উপস্থিতিক **উঠাই ল'ব পাৰে আৰু আনকি আমাৰ বিৰুদ্ধে থিয় দিব পাৰে** (যিচয়া ৬৩:১০)। যাকোব ৪:৬ পদে **সৰ্তক কৰি দি কয় যে, ঈশ্বৰ অহংকাৰী লোকৰ বিপক্ষ হয়, কিন্তু নম্ৰ লোকসকলক তেওঁ অনুগ্ৰহ দান কৰে।** আমাৰ নিজ মুখৰ বাক্য আৰু কৰ্মত প্ৰতিফলিত হ'বলৈ এইটো এটা পৰামৰ্শ। কিমান বাৰ আমি এইদৰে আমাৰ মালিকানা আৰু জ্ঞানৰ মতক দাবী কৰি কওঁ 'মোৰ গৃহ', 'মোৰ জীৱন', বা 'মইসকলো জানো'। যদিও বাহ্যিকভাৱে আমি আমাৰ নম্ৰতাক দাবী কৰো, আমাৰ প্ৰকৃত প্ৰকৃতিয়ে নিজে আমাৰ অহংকাৰক প্ৰকাশ কৰিব পাৰে। "তুমি জানানে মই কোন?" বা "তুমি মোৰ লগত এনেদৰে কথা ক'বলৈ সাহস ক'ৰ পৰা পালা?" এনে বাক্যবোৰক যেতিয়া আমি কওঁ তেতিয়া অপ্ৰত্যাশিতভাৱে আমি তলত পৰি যাম।

এই সৰ্তকমূলক গল্পটি অহংকাৰৰ ভ্ৰমৰ বিৰুদ্ধে প্ৰতিৰক্ষা কৰিবলৈ অনুস্মাৰকৰ দৰে কাৰ্য কৰে। বিশেষকৈ যেতিয়া আমাৰ আত্মবোধটোৱে ভাবুকিৰ সন্মুখীন হয়। "তুমি জানানে মই কোন?" এইবুলি নিজ বিশ্বাসকৰ দাবী কৰা লোকজনে মুখেৰে ক'লেও বা মনত ভাবিলেও, এই গল্পটিয়ে অহংকাৰৰ কপট প্ৰকৃতিৰ বিৰুদ্ধে সৰ্তকতা হিচাপে কাৰ্য কৰা উচিত।

## দ্বিতীয়টো ভুল পদক্ষেপ

## আত্ম প্ৰতাৰণা!

আত্ম প্ৰতাৰণাৰ সৈতে থকা মানুহজন হৈছেঃ

১। নিজকে কিবা বুলি ভাৱে কিন্তু প্ৰকৃততে নহয়।
২। থকাটোক অধিক বুলি ভাবে।
৩। প্ৰকৃততে তেনে নহয়, কিন্তু দেখুৱাবলৈ ইচ্ছা কৰে, বৰং সত্যটো কি তাক দেখুৱাবলৈ ইচ্ছা কৰিব লাগে।

এতিয়া আহক বাইবেলে কি কয় তাক বিশ্লেষণ কৰোহক ঃ-

* **"উচ্চমনা নহ'ব।"** (ৰোমীয়া ১১:২০)।
* **"উপযুক্ত বিবেচনাতকৈ কোনেও নিজকে বৰ বুলি বিবেচনা নকৰক"** (ৰোমীয়া ১২:৩)।

....Contd. to page 6


RESIDENTIAL BIBLE COURSE
NEHEMIAH BIBLE COLLEGE, Chennai.

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE
REACHING NATIONS

Medium : Hindi

Recognised by International Christian Leaders & Senior Pastors for the past 54 years

Rush for Admission!

Diploma in Theology

Qualification : 10th Standard & above

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

✶ ONLINE CLASSES ARE AVAILABLE ✶

ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২৪ বৰ্ষৰ ১৯ জুলাইৰ পৰা ২০২৪ বৰ্ষৰ ১৮ আগষ্টলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

১৯ জুলাইঃ আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ ওপৰত আশীৰ্বাদৰ বাবে।

২০ জুলাই ঃ ১৯৬৯ চনৰ পৰা আমাৰ আলোচনী পৰিচৰ্যালৈ তেওঁৰ অসীম আশীৰ্বাদৰ বাবে।

২১ জুলাইঃ মুখ্য মণ্ডলী আৰু শাখা মণ্ডলীসমূহৰ আমাৰ পালকসকলে আৰু জ্যেষ্ঠ সদস্যসকলৰ ওপৰত আশীৰ্বাদৰ বাবে।

২২ জুলাইঃ আমাৰ শুভবাৰ্তাৰ প্ৰিণ্টিং প্ৰেছ আৰু ইয়াৰ দক্ষ কৰ্মকৰ্তাসকলৰ সৈতে চলি থকাৰ বাবে।

২৩ জুলাইঃ বালাজী নগৰ, সন্তোষাপুৰাম আৰু ভেলাচেৰীত থকা আমাৰ দেওবৰীয়া উপাসনা নতুন বিশ্বাসীসকলৰ বাবে।

২৪ জুলাইঃ আমাৰ বিশ্বব্যাপী যুৱক-যুৱতী আৰু শিশু সুৰক্ষা পৰিচৰ্যাৰ ওপৰত আশীৰ্বাদ।

২৫ জুলাইঃ ২০২৩-২০২৪ শিক্ষাবৰ্ষৰ বাবে নহিমিয়া বাইবেল কলেজ আৰু চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলত নামভৰ্তিত আশীৰ্বাদ থকাৰ বাবে।

২৬ জুলাইঃ পৰিচৰ্যাকাৰীসকলৰ মহৎ সমৰ্পণ।

২৭ জুলাই ঃ আমাৰ বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজ পাঠ্যক্ৰমৰ বাবে নতুন ছাত্ৰ-ছাত্ৰী পাবলৈ অনুগ্ৰহ কৰাৰ বাবে।

২৮ জুলাই ঃ শুভবাৰ্তা নোপোৱা লোকবিলাককৈ আমাৰ ইউটিউবৰ পৰিচৰ্যাৰ ৫ মিনিটৰ শুভবাৰ্তালৈ আশীৰ্বাদ কৰাৰ বাবে।

২৯ জুলাইঃ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তাৰ বিস্তাৰৰ বাবে আমাক আশীৰ্বাদ কৰাৰ বাবে।

৩০ জুলাইঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰ, গ্ৰাহক অংশীদাৰ, বিশ্বাস অংশীদাৰ, জীৱনৰ অংশীদাৰ আৰু মহান আত্মিক অংশীদাৰ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ প্ৰতি তেওঁৰ দয়াৰ বাবে।

৩১ জুলাইঃ আমাৰ চেইণ্ট পৌলচ, মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰমৰ সকলো কাৰ্যকলাপৰ বাবে।

০১ আগষ্ট ঃ আমাৰ মুখ্য মণ্ডলী অধিক নতুন বিশ্বাসীসকলক আশীৰ্বাদ কৰাৰ বাবে।

০২ আগষ্ট ঃ পালকসকল আৰু আমাৰ মণ্ডলীসমূহৰ বাবে।

০৩ আগষ্ট ঃ আমাৰ চেইণ্ট পৌলচ, মেট্ৰিকুলেশ্বন স্কুলৰ বহুখিনি উৎসৰ্গিত শিক্ষকসকল আৰু অধ্যক্ষৰ ওপৰত থকা আশীৰ্বাদৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

০৪ আগষ্ট ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম. ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো ধৰণৰ মন্দ শক্তিৰপৰা নিৰাপত্তা পাবলৈ।

০৫ আগষ্ট ঃ পৃথিৱীৰ সকলো লোকৰ প্ৰয়োজনীয়বোৰ পাবলৈ।

০৬ আগষ্ট ঃ আমাৰ পৰিচৰ্যাৰ বাবে প্ৰয়োজনীয় আৰ্থিক সহায়ৰ বাবে।

০৭ আগষ্ট ঃ আমাৰ সহকৰ্মীসকল আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ সুস্বাস্থ্যৰ বাবে।

০৮ আগষ্ট ঃ এই পৃথিৱীত চলি থকা প্ৰবল আৰ্থিক মন্দাৱস্থাৰ অন্ত পৰিব লাগে।

০৯ আগষ্ট ঃ প্ৰত্যেক দিনা পুৱা ২-০০ বজাত ৫ মিনিটৰ ইউটিউবৰ মিডিয়া পৰিচৰ্যাৰ বাবে।

১০ আগষ্ট ঃ আজি আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিচৰ্যাই ৫৬ তম্ বৰ্ষত প্ৰৱেশ কৰাৰ বাবে।

১১ আগষ্ট ঃ ঈশ্বৰৰ সন্তানবিলাকৈ আত্মিক আৰু জাগতিৰ আশীৰ্বাদ থাকিবলৈ।

১২ আগষ্ট ঃ গ্ৰীষ্মকালীন বাইবেল স্কুল (ভি.বি.এছ) ৰ যোগেদি শ শ ল'ৰা-ছোৱালীয়ে যীচু খ্ৰীষ্টৰ প্ৰেমৰ স্পৰ্শ লাভ কৰিছে আৰু ঈশ্বৰত থাকি আমাৰ মণ্ডলীৰ প্ৰাৰ্থনা সভাত যোগদান কৰেহি।

১৩ আগষ্ট ঃ ঈশ্বৰৰ দাস আৰু মিছনেৰী সকলৰ ওপৰত চলা আক্ৰমণ বন্ধ হ'বলৈ।

১৪ আগষ্ট ঃ লোকসমূহৰ ওপৰত পুনৰ এবাৰ ঈশ্বৰৰ অনুগ্ৰহ বৰষাই দিবলৈ।

১৫ আগষ্ট ঃ চয়তানৰ দুষ্ট কাৰ্যবোৰ ধ্বংস হওক আৰু পৰিয়ালবোৰৰ মাজৰ পৰা আঁতৰি যাবৰ বাবে।

১৬ আগষ্ট ঃ গোটেই পৃথিৱীত থকা যিসকল লোক সায়মিক অসুস্থ আৰু হতাশাত ভুগিছে তেওঁলোক যেন সুস্থ হয়।

১৭ আগষ্ট ঃ এই মাহৰ সকলো আৰ্থিক প্ৰয়োজন যেন যোগাই দিয়ে।

১৮ আগষ্ট ঃ পৃথিৱীজুৰি যি গ্ৰীষ্মকালীন বাইবেল স্কুলৰ ক্লাছত আৰু যুৱক-যুৱতী যোগদান কৰিছিল তেওঁবিলাকে যেন নিৰাপদে থাকে।

(চতুৰ্থ পৃষ্ঠাৰ পৰা)

* **“মনৰ অহংকাৰে তেওঁক প্ৰবঞ্চনা কৰিলে”। (ওবদিয়া ১:৩)।**

এই নমুনা চৌলৰ জীৱনত সঁচা বুলি প্ৰমাণিত হ'ল। তেওঁৰ অহংকাৰে তেওঁক অন্ধ কৰিলে আৰু প্ৰতাৰণা কৰিলে, আত্ম প্ৰতাৰণাত পৰিলে।

আমি কি দৰে পৰো আৰু কি ঘটেযেতিয়া আমি আত্ম প্ৰতাৰণাৰ জালত পৰো।

## ক) ঈশ্বৰলৈ সম্পূৰ্ণভাৱে বাধ্য হ'বলৈ অনিচ্ছুক হোৱা!

উদাহৰণস্বৰূপে, ঈশ্বৰ চৌলক অমালেকহঁতক সম্পূৰ্ণ নষ্ট কৰিবলৈ ক'লে, **“তেওঁলোকৰ যি সকলো আছিল তাক নষ্ট কৰা”** (১ চামূৱেল ১৫:২)। কিন্তু চৌলে “সকলো উত্তম উত্তম বস্তুবোৰ” **নিজৰ বাবে ৰাখি প্ৰতাৰণা কৰিলে** (১ চামূৱেল ১৫:৯)। সেইবোৰ ৰাখি থলে কি পৰিণতি হ'ব তাক তেওঁ নিজৰ ওপৰত নিলে, যাৰ বাবে তাৰ কৰ্ম ন্যায়সংগত বুলি ভাবি নিজকে প্ৰতাৰিত হ'ল। তেওঁ আনকি ইয়াকো ক'লে, **“মই যিহোৱাৰ আজ্ঞা পালন কৰিলো”** (১ চামূৱেল ১৫:১৩) ঈশ্বৰৰ নিৰ্দেশৰ পৰা বিচ্যুত হোৱাৰ সত্বেও এইদৰে ক'লে।



***Samuel reprimands Saul for disobeying God's Command***

বহুত সময়ত চৌলৰ দৰে আমাৰ কৰ্মবোৰ ঈশ্বৰৰ ইচ্ছাৰ লগত খাপ খায় আছে বুলি আমি নিজকে ঠগাও যেতিয়া প্ৰকৃততে আমাৰ অভাৱ হয়। কেৱল মাত্ৰ ঈশ্বৰৰ ইচ্ছা অনুসাৰে কৰা কৰ্মতহে ঈশ্বৰে সন্তুষ্ট হয়, কিন্তু আত্মপ্ৰতাৰণাই আমাৰ বিচাৰটোক ঘন কৰে।

## খ) তেওঁৰ অপৰাধক মানি ল'বলৈ অস্বীকাৰ কৰা !



***Saul tries to justify disobedience in a spiritual way***

অহংকাৰ আৰু আত্মপ্ৰতাৰণাই তেওঁৰ চকুক অন্ধ কৰিলে, হৃদয়ক অৱশ কৰিলে আৰু তেওঁৰ কাণবোৰক কলা কৰিলে। ঈশ্বৰৰ মাত শুনাৰ পৰা বাধা কৰিলে। তেওঁ এইদৰে কৈ মানুহবিলাকক বদনাম কৰিলে “লোকসকলে (মইনহয়) উত্তম উত্তম মেৰ ও ছাগলী আৰু উত্তম উত্তম গৰু ৰাখিলে; কিন্তু অৱশিষ্টবোৰ আমি ধ্বংস কৰিলে”। চৌলে তেওঁৰ অবাধ্যতাক আত্মিকতাৰে পূৰ্ণ বুলি দেখুৱাবলৈ চেষ্টা কৰি আছিল। এই গতিকে ঈশ্বৰে কয় যে বলিদানতকৈ বাধ্যতাই উত্তম। আমাৰ কৰ্মবোৰৰ বাবে দোষী বুলি গ্ৰহণ কৰাৰ পৰিৱৰ্তে আত্মপ্ৰতাৰণাই আনক বদনাম কৰায়।

## গ) নিজকে নম্ৰ কৰিবলৈ অনিচ্ছুক !

* চৌলৰ অহংকাৰ একেবাৰে উচ্চতাত আছিল।
* তেওঁ নিজৰ বাবে এটা স্মৃতিস্তম্ভ নিৰ্মাণ কৰিছিল।
* তেওঁ চামূৱেলক তেওঁক সন্মান কৰিবলৈ জোৰ কৰিছিল।
* ঈশ্বৰৰ স্বীকৃতিৰ পাছতো ওপৰত মানুহৰ সন্মান বিচাৰিছিল।
* নিজকে ঈশ্বৰৰ আগত নম্ৰ কৰি ক্ষমা বিচৰাৰ পৰিৱৰ্তে, মানুহৰ মাজত প্ৰশংসা পাব বিচাৰিছিল।

....Contd. to page 9

NEHEMIAH BIBLE
EVENING COLLEGE
Chepauk & Santhoshapuram, Chennai.
ECHO OF HIS CALL
NG NATIONS
Medium :Tamil
Rush for Admission!
Recognised by International Christian Leaders &
Senior Pastors for the past 54 years
Diploma in Theology
Qualification : 10th Standard & above
ntact : The Chairman, Nehemiah Bible College.
OHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
one : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## MAIN CHURCH PROGRAMMES

1. Prayer Service : 24 hours
2. **ECHO OF HIS CALL** - Monthly Magazines :English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
3. **BIBLECOR** - Basic Bible Courses (English, Tamil & Hindi)
4. Theological Correspondence Courses: English & Tamil
5. Nehemiah Bible Colleges (Chepauk, Santhoshapuram & Velachery)
6. Great Commission Partners (Network of Pastors)
7. Training Programmes – Seminars & Retreats
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools (Chepauk) : 10.30 a.m. Sunday & (Velachery, Balaji Nagar & Santhoshapuram) 3.00 p.m. Sunday
13. **Early Morning Service : 5.30 a.m. Sunday**
14. **Preliminy Service : 8.00 a.m. Sunday**
15. **Tamil Service : 8.30 a.m. Sunday**
16. **Youth Meeting : 11.00 a.m. Sunday**
17. **Fellowship Lunch : 1.00 p.m. Sunday**
18. **Hindi Service : 4.00 p.m. Sunday**
19. **Telugu Service : 5.00 p.m. Sunday**
20. **English & Hindi Service : 6.00 p.m. Sunday**
21. Feedback Time : 7.30 p.m. Sunday
22. Women's Prayer : 5.30 p.m. Wednesday
23. Men's Prayer : 7.00 p.m. Friday
24. Discipleship Meeting : 6.00 p.m. Saturday
25. House Meetings : 6.30 p.m. Tuesday & Thursday
26. Special Holy Communion : 6.00 a.m. 1st day of each month
27. Ministers' Meeting : 6.00 p.m. First Saturday
28. Parents' Prayer : 4.00 p.m. First Sunday
29. Night Prayer : 9.30 p.m. Third Friday
30. Fasting Prayer : 9:30 a.m. Second Saturday
31. Holy Communion : Second Sunday Services
32. Youth / Kid Prayer : 10.00 p.m. daily (over phone)
33. Staff Devotion : 9.00 a.m. daily
34. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্‌নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্‌ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

## 'ঈশ্বৰে আমাৰ ক্ষুদ্ৰ প্ৰচেষ্টাক আদৰ কৰে !

**যিহোৱাৰ ধন্যবাদ কৰা-যিজনাই আমাৰ হীন অৱস্থাত আমাক সুঁৱৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। (গীতমালা ১৩৬ঃ ১,২৩)**

মোৰ পৰিচৰ্যা জীৱনৰ আৰম্ভণিৰে পৰা ঈশ্বৰে তেওঁৰ ৰাজ্য বিস্তাৰ কৰিবলৈ আৰু তেওঁৰ মহিমাৰ বাবে তেওঁ মোক যিকোনো পৰ্যায়লৈ যাবলৈ আৰু যিকোনো প্ৰত্যাহবানক গ্ৰহণ কৰিবলৈ মন দিছিল, অবিলম্বে কোনো কোনো পুৰস্কাৰৰ বাবে আশা নকৰাকৈয়ে। ১৯৭৬ চনৰ পৰা ১৯৮৬ চনলৈকে, মই মোৰ চৰকাৰী কাৰ্যালয়ৰ পৰা চুটি লোৱাৰ অভ্যাস কৰি লৈছিলো আৰু মোৰ নিজৰ খৰচ বহন কৰি ভাৰতৰ বিভিন্ন প্ৰান্তত যাত্ৰা কৰিছিলো আৰু সৰু সৰু শুভবাৰ্তা কাৰ্যসূচী পতাৰ দ্বাৰা প্ৰচাৰ কৰিছিলো।

প্ৰভুৱে মোক মোৰ আধ্যাত্মিক বন্ধুসকলৰ সৈতে অন্তত এমাহ বা দুমাহৰ বাবে একেলগে বিভিন্ন প্ৰান্তলৈ গৈ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত প্ৰভু যীচু খ্ৰীষ্টৰ শুভবাৰ্তাৰ যোগেদি হাজাৰ হাজাৰ লোকসকলৰ জীৱনত স্পৰ্শ কৰাত সহায় কৰিছিল। বহুত সময়ত মোৰ আটাই আৰ্থিক সহায়বিলাকৰ বাবে মই ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়াত পৰিছিলো, কিয়নো মোৰ বাবে আৰু বন্ধুসকলৰ বাবে ট্ৰেইন টিকট, বাছ টিকট আৰু হোটেল বুক কৰাৰ বাবে ধনৰ প্ৰয়োজন হৈছিল। ঈশ্বৰে আচৰিতভাৱে মোক সহায় কৰিছিল।

এই পৰিচৰ্যাৰ যোগেদি ঈশ্বৰে মোক চেঙালপেট জিলাৰ, ভিল্লোপুৰাম জিলাৰ, মাদুৰাই জিলাৰ, ট্ৰিচি জিলাৰ, কন্যাকুমাৰী জিলাৰ, কচাইকানাই, উটাকামুন্দ, ট্ৰিবান্দ্ৰাম, পীলামেদু, ইদুক্কি, ৰেন্দিপেৰিয়াৰ, বিজয়াৱাড়া, বেঙ্গলোৰ,
মহীশূৰ ইত্যাদিৰ ভিতৰৰা অঞ্চলবিলাকত পৰিদৰ্শন কৰিবলৈ সহায় কৰিছিল। মোৰ যাত্ৰাৰ সময়ত মই বাছেৰে আৰু ট্ৰেইনেৰে আমাৰ বাদ্যযন্ত্ৰসমূহ আৰু শুভবাৰ্তা পুস্তকসমূহ এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই লৈ যোৱাত বিভিন্ন ধৰণৰ শাৰীৰিক কষ্টৰ সন্মুখীন হৈছিলো। মোৰ আৰ্থিক অৱস্থা দুৰ্বল হোৱাৰ হেতুকে, মই আনকি এখন বাহন ক্ৰয় কৰাৰ কথা চিন্তা কৰিব পৰা নাছিলো। কিন্তু ঈশ্বৰে মোৰ মনোভাৱ আৰু মোৰ সাক্ষ্যৰ প্ৰতি লক্ষ্য কৰি আছিল, ঈশ্বৰ এনে অন্যায় বিচাৰক নহয় যে, আপোনালোকৰ পৰিশ্ৰম আৰু তেওঁৰ নামৰ বাবে পবিত্ৰ লোকসকলৰ প্ৰতি আপোনালোকে যি সেৱা যত্ন কৰিলে আৰু এতিয়াও একে সেৱা যত্ন কৰি প্ৰেম দেখুৱাই আছে, ঈশ্বৰে এইবোৰ কেতিয়াও নাপাহৰে (ইব্ৰী ৬ঃ১০)।

পাছত, ঈশ্বৰে মোৰ সকলো সহকৰ্মীক আশীৰ্বাদ কৰিলে আৰু তেওঁলোকক এক উচ্চ স্তৰলৈ তুলিলে আনকি আজিও তেওঁৰ বাৰীত পৰাক্ৰমেৰে একেৰাহে ব্যৱহাৰ কৰি আছে। তেওঁ মোকো সকলো ধৰণৰ আধুনিক বস্তুসমূহ যেনে- গাড়ী, ভেন আৰু উৎসাহী কৰ্মীসকলক দিলে আৰু ভাৰতৰ শুভবাৰ্তা নোপোৱা লোকসকললৈ প্ৰচাৰ আৰু মোক পৃথিৱীৰ বিভিন্ন ঠাইলৈ নিলে আৰু মোক ভাল ভাল বন্ধুসকলকো দিলে।

সেই একেজনা ঈশ্বৰ এতিয়াও জীৱিত আছে তেওঁ এনে লোক সকলক বিচাৰি আছে যিবিলাকে কোনো অবিলম্ব পুৰস্কাৰৰ বাবে আশা নকৰে, উচ্চ পদ নিবিচাৰে আৰু দুৰ্নীতি নকৰে। তুমি তোমাৰ আহাৰ পানীৰ ওপৰত পেলাই দিয়া, কিয়নো অনেক দিনৰ পাছত তাক পুনৰ ঘূৰাই পাবা (উপদেশক ১১ঃ১। তেওঁ কাৰোলৈ ধৰুৱা নহয়।

মই ব্যক্তিগতভাৱে শিকিলো যে যদি আমি ঈশ্বৰৰ ৰাজ্যৰ বাবে কিবা কৰিবলৈ ইচ্ছা কৰো, তাক আমি বতাহক নিৰীক্ষণ নকৰি তৎক্ষণাত কৰিব লাগে কিয়নো যি কোনোৱে বতাহক নিৰীক্ষণ কৰে, তেওঁ বীজ ৰোপণ কৰিব নোৱাৰে, যি কোনোৱে বৰষুণক নিৰীক্ষণ কৰে, তেওঁ শস্য দাব নোৱাৰে। উপদেশক ১১ঃ৪। এই জগত আৰু জাগতিক লোকসকলে আপোনাৰ সৈতে থিয় দিব।

আজিকালি, আমাৰ লোকবিলাকে ঈশ্বৰৰ ৰাজ্যক আগবঢ়াবলৈ তেওঁলোকৰ স্বাস্থ্য, ধন আৰু প্ৰতিভাক ব্যৱহাৰ কৰিব নিবিচাৰে, পৰিৱৰ্তে অবিলম্বে উচ্চতাৰ আশা কৰে আৰু লগে লগে পুৰস্কাৰ বিচাৰে। প্ৰিয় বন্ধু, মই যীচু খ্ৰীষ্টৰ শুভবাৰ্তাৰ বাবে সঁচাকৈয়ে আশীৰ্বাদপ্ৰাপ্ত হৈছো। তেওঁ আপোনাকো আশীৰ্বাদ কৰিব পাৰে। আপুনিও আগবাঢ়ি আহি যীচু খ্ৰীষ্টৰ বাবে কিবা কৰিব পাৰিবনে? ক্ৰুচক আপোনাৰ কান্ধত তুলি তেওঁক অনুসৰণ কৰিব পাৰিবনে? ঈশ্বৰে ইচ্ছাকৃত ব্যক্তিক বিচাৰে যিজনে তেওঁৰ মহিমাযুক্ত শুভবাৰ্তাক পঠোৱাত আগ্ৰহী। যিকোনো... যিকোনো প্ৰকাৰে... যি কোনো মূল্যত। ১ কৰিন্থীয়া ৯ঃ২২।

**যেতিয়া আপুনি এই বাক্যবোৰক অধ্যয়ন কৰে, আপুনি জনাটো উচিত হ'ব যে ঈশ্বৰৰ ওচৰত আপোনাৰ বাবে বিশেষ পৰিকল্পনা আছে! এই জাগতিক ধন-সম্পত্তি, স্বাস্থ্য, সম্পৰ্ক আৰু খ্যাতিয়ে এদিন আপোনাক ঠগিব!! কিন্তু যীচু খ্ৰীষ্টই আপোনাক সান্তনাবিহীন কৰি নাৰাখিব!!! (যোহন ১৪ঃ১৮। আজিয়েই সিদ্ধান্ত লওক, এটা ডাঙৰ পুৰস্কাৰ আপোনাৰ বাবে ৰৈ আছে !**

❖❖❖❖❖

*....Contd. from page 6*

আগতে কোৰাৰ দৰে আমাৰ সকলো কৰ্মৰ পৰিণাম আছে। আংশিকবাধ্যতা আৰু সম্পূৰ্ণ অবাধ্যকতাৰ পৰিমাণটো একেই।

* চৌলে তেওঁৰ কৰ্মৰ দ্বাৰাই ঈশ্বৰক দুখ দিলে।
* ঈশ্বৰে তেওঁক লগে লগে অস্বীকাৰ কৰিলে।
* তেওঁক ৰজা পতাৰ বাবে ঈশ্বৰ আৰু চামূৱেল দুয়োৱে অনুতাপ কৰিলে।

তেওঁ ঈশ্বৰৰ ইচ্ছাৰ পৰা বিপথগামী হ'ল। আমি প্ৰাৰ্থনা কৰো যাতে আমাৰ কোনোৱেও আমাৰ জীৱনৰ উদ্দেশ্যৰ পৰা বিচ্যুত হৈ, চৌলৰ জীৱনৰ দৰে চলি যাব নালাগে।

## তৃতীয় আৰু শেষ ভুল পদক্ষেপ

## বিদ্ৰোহ !

তেওঁৰ আত্মপ্ৰতাৰণাই তাক অহংকাৰৰ দিশত লৈ গৈছিল, মিছা পৰিচয়ৰ অনুমান কৰালে আৰু বিদ্ৰোহ আৰু জেদী স্বভাৱক পৰিচয় কৰালে। বিদ্ৰোহ কৰাটো, অবাধ্যতা আৰু জেদ কৰাৰ লগত একেই আৰু ইয়াৰ বাবে বেয়া পৰিণাম আহে। হিতোপদেশ ২৯:১ পদে আমাক সকিয়াই কয় যে **যি মানুহে বাৰে বাৰে অনুযোগ পায়ো নিজৰ ডিঙি ঠৰ কৰে, সুস্থ হ'ব নোৱাৰাকৈ তেওঁ হঠাতে ভগ্ন হ'ব।** তেওঁৰ পতন এদিন হঠাতে আহিব।

চৌলে, জনা নাছিল যে তেওঁৰ বিদ্ৰোহ চৰিত্ৰৰ প্ৰভাৱটো কেৱল তেওঁৰ ওপৰত নহয় বৰং তেওঁৰ অহা প্ৰজন্মৰ ওপৰতো পৰিব। চামূৱেল এজন পুৰোহিতৰ দৰে বলি উৎসৰ্গ কৰালৈকে অপেক্ষা নকৰাকৈ চৌলে তেওঁৰ বিদ্ৰোহ চৰিত্ৰক দেখুৱালে, ধমক খোৱাৰ পাছতো, তেওঁ জেদী হৈ থাকিছিল । সময়ৰ আগতে তেওঁৰ সিংহাসনক হেৰুৱালে। অবাধ্যতাৰ আৰু বিদ্ৰোহৰ প্ৰত্যেক কৰ্মই তাৰ পৰিণাম আনে।

বিদ্ৰোহ চৰিত্ৰৰ লোকে কোনো কতৃপক্ষৰ কথা পালন কৰিবলৈ অস্বীকাৰ কৰে। কৰ্তৃপক্ষক গুৰুত্ব দিয়াত অস্বীকাৰ কৰে। আমি আমাৰ পিতৃ-মাতৃক, জীৱন সঙ্গীক, বৃদ্ধসকলক, পৰিচালকক, মণ্ডলী চলাওঁতাসকলক, পালকসকলক, চুপাৰভাইজাৰ সকলক আৰু আটাইতকৈ মহান ঈশ্বৰক সন্মান কৰিব লাগে।

বিদ্ৰোহ হৈছে এটা হৃদয়ৰ বিষয় কেৱল ব্যৱহাৰৰ বিষয়টো নাহে; আমাৰ ভিতৰৰ মনটোক পৰিবৰ্তন কৰাৰ বিষয়টোও আহে।

**বাইবেলে আমাক বিদ্ৰোহৰ বিষয়ে অনেক গুৰুত্বপূৰ্ণ শিক্ষাবিলাক দিছে ঃ-**

*** বিদ্ৰোহ কৰাটো যাদুবিদ্যাৰ দৰে হয়, যাক ঈশ্বৰে ঘৃণা কৰে (১ চমূৱেল ১৫:২৩)।**

*** ঈশ্বৰে কেৱল নিজকে দূৰ কৰিবলৈ এনে নহয় কিন্তু যিবিলাকৰ বিদ্ৰোহ চৰিত্ৰ থাকে আৰু অবাধ্য হয় তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ কৰে (যিচয়া ৬৩:১০)।**

*** ঈশ্বৰৰ হাতে আমাৰ বিৰুদ্ধে কাৰ্য কৰিব। (১ চমূৱেল ১২:১৪:১৫)।**

*** পাপ স্বীকাৰ কৰাৰ পৰা ব্যৰ্থ হ'লে ঈশ্বৰৰ হাতে আমালৈ বিনাশ আনিব পাৰে (১ কৰিন্থিয়া ৫:৫)।**

প্ৰিয় বন্ধুসকল, যদি আমাৰ হৃদয়বিলাক কঠিন হয়, পৰিৱৰ্তন হ'ব নোৱাৰে, উষ্ণতা বৰ্জিত হয়, তেন্তে আমি সেইবোৰক পৰিৱৰ্তন কৰিবলৈ ঈশ্বৰৰ পৰা সহায় বিচাৰিব লাগে। শাস্ত্ৰপাঠে কয় যে, **"যিজনে শেষলৈকে সহি থাকে, সেই জনেই পৰিত্ৰাণ পাব"** (মথি ২৪:২৩)। যেতিয়া ঈশ্বৰৰ ইচ্ছাৰ পৰা দূৰত থকা আৰু ব্যৰ্থতাৰ দৰে কৰ্মবোৰক বাধা দিব পাৰিম। আহক আমি অহংকাৰৰ বিনাশক প্ৰভাৱৰ বিৰুদ্ধে নিজকে ৰক্ষা কৰোহঁক আৰু আমাৰ ভুলবোৰক চিনাক্ত কৰিম যিবোৰে আমাৰ জীৱনৰ উদ্দেশ্যক বিমুখ কৰে সেইবোৰক শুধৰাই লম। এইটো অত্যন্ত গুৰুত্বপূৰ্ণ যে আমি ঈশ্বৰৰ লগত লাগি থকাক নিশ্চিত কৰিবলৈ আমি আমাৰ জীৱনত প্ৰতিফলিত কৰিবলৈ সময় লম।

❖❖❖❖❖


## জৰুৰী প্ৰয়োজন

### নহিমিয়া বাইবেল কলেজসমূহ

প্ৰভুৰ পৰিচৰ্যাৰ বাবে ১ বছৰেকীয়া প্ৰশিক্ষণত ব্যক্তিসকলক বিচৰা হৈছে।

১। তামিল ভাষাত সন্ধ্যা বাইবেল কলেজত অধ্যয়ন কৰিবলৈ (ছাত্ৰ আৰু ছাত্ৰীসকলক) বিচৰা হৈছে।

২। হিন্দী জনা পুৰুষসকলে বাইবেল কলেজৰ চৌহদত থাকি পাঠ্যক্ৰম ল'ব পাৰে।

**Contact Cell No. 98412 71858**

শস্য পথাৰ ডাঙৰ কিন্তু বনুৱাসকল তাকৰ, দয়া কৰি আমাক সহায় কৰিবলৈ আহক।

## অফিচ

কম্পিউটাৰ অপাৰেটৰ/ কম্পিউটাৰত টাইপ কৰা কৰ্মীক আমাৰ মণ্ডলী অফিচত বিচৰা হৈছে। উপযুক্ত দৰমহা দিয়া হ'ব।

**Contact Cell No. 98412 71858**


## পঢ়ুৱৈসকল মনোযোগ দিয়ক !

### পালক এচ. চাম ছেলভা ৰাজাৰ আত্মজীৱনী !

আমি পালক এচ, চাম ছেলভা ৰাজৰ আত্মজীৱনী পুস্তকৰ আকাৰত প্ৰকাশন সম্পূৰ্ণ কৰাৰ চূড়ান্ত পৰ্য্যায়ত আছো। আমি আপোনালোকৰ সাক্ষ্য বিচাৰি অনুৰোধ জনাইছো, হ'ব পাৰে দহ শাৰীত তেওঁৰ পৰিচৰ্য্যাৰ যোগেদি আত্মিক বৃদ্ধিত কি ভাবে প্ৰভাৱিত হৈছে। তাৰ বিস্তাৰিত বিৱৰণ লিখি পঠাওক। অতিৰিক্ত ভাবে আপুনি যদি আত্মজীৱনীত অন্তৰ্ভূক্তৰ বাবে এটি ছবি দিব পাৰে তেন্তে আমি আপোনাক প্ৰশংসা কৰিম।

*- সম্পাদক*

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

**ECHO OF HIS CALL**
**Ministries**
**56th ANNIVERSARY** (1969 - 2024)

Gospel Crusades

09.08.2024, Friday
10.08.2024, Saturday
11.08.2024, Sunday
Time : 6.00 P.M.

Place:

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET,
CHEPAUK, CHENNAI - 600 005, INDIA.
98412 71858 **Please Pray!**

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **S. Sam Selva Raj** |
| A/C No. | : | **1023 2934 679** |
| IFSC | : | **SBIN 00 00 249** |

SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

| | | |
|---|---|---|
| Branch | : | **Anna Salai, Chennai-6** |
| Name | : | **Echo of His Call** |
| A/C No. | : | **6038 0502 2319** |
| IFSC | : | **ICIC 000 6038** |

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **Echo of His Call Educational Trust** |
| A/C No. | : | **1023 2923 805** |
| IFSC | : | **SBIN 00 00 249** |

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
E.mail : sam@echoofhiscall.org

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/24-26
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th JULY 2024
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**